দিনাংক- ১৮ এপ্ৰিল ২০১৪

## অভিযানসূচী- ১৮ এপ্ৰিল ২০১৪

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা

### চি বি আইৰ ওপৰত গোপাল গান্ধীৰ মন্তব্য

পশ্চিমবংগৰ ভূতপূৰ্ব ৰাজ্যপালে কেন্দ্ৰীয় অনুসন্ধান বিভাগৰ ওপৰত দিয়া মন্তব্যৰ বাবে তেওঁ প্ৰসংশাৰ পাত্ৰ। কেন্দ্ৰীয় অনুসন্ধান বিভাগে প্ৰত্যেক বৰ্ষত অনুষ্ঠিত কৰা ডি পি কোহলী মেম'ৰিয়েল লেকছাৰ দিব'লৈ শ্ৰীযুত গোপাল গান্ধীক আমন্ত্ৰণ কৰা হৈছিল । কেন্দ্ৰীয় অনুসন্ধান বিভাগৰ কামৰ নীৰিক্ষণ কৰাৰ পাছত তেওঁ কেন্দ্ৰীয় অনুসন্ধান বিভাগক চৰকাৰৰ কু-কৌশলৰ এটা বিভাগ বুলি কৈছিল । এইয়াই কেন্দ্ৰীয় অনুসন্ধান বিভাগৰ সকলো বিষয়াৰ সচেতনতাক স্তব্ধ হৈছিল ।

বিগত দহ বৰ্ষত এই বিভাগে বিশ্বাসযোগ্যতা হেৰুৱাইছে । কেন্দ্ৰীয় অনুসন্ধান বিভাগ এটা প্ৰতিষ্ঠান হিচাপে ইয়াৰ নিয়ন্ত্ৰণ সঞ্চালকে কৰে । সঞ্চালকৰ নিযুক্তি কেৱল চৰকাৰৰ দ্বাৰা কৰা হয় । সঞ্চালকক চৰকাৰে কেৱল নিয়ণ্ত্ৰণ নকৰে, আনকি শাসকীয় দলৰ গুৰুত্বপূৰ্ণ নেতাইও তেওঁলোকক নিয়ণ্ত্ৰন কৰে । এনে বহুতো গুচৰ আছে য'ত শাসকীয় দলৰ কাষত থকা লোকক কেন্দ্ৰীয় অনুসন্ধান বিভাগে সহায় কৰিছে । ঠিক তেনেদ্বৰে চৰকাৰৰ বিৰোধিতা কৰা লোকক কেন্দ্ৰীয় অনুসন্ধান বিভাগে অভিযুক্ত কৰিছে । ৰাজস্থান আৰু গুজৰাটৰ বিজেপি ৰ সৈতে জড়িত লোকৰ বিৰুদ্ধে কেন্দ্ৰীয় অনুসন্ধান বিভাগে দাখিল কৰা চাৰ্জশ্বীটৰ কোনো অস্তিত্ব নাই । এনে দিনবোৰত দিল্লীত ওৰা-বাতৰি ওলাইছে যে প্ৰতিষ্ঠিত ব্যৱসায়ীয়ে ৰাজনীতিবিদ আৰু বিষয়াৰ বাবে কাম কৰে । এই সন্দৰ্ভত কেন্দ্ৰীয় অনুসন্ধান বিভাগৰ সৈতে জড়িত বহুতো লোকৰ নাম প্ৰকাশ কৰা হৈছে আৰু এইয়াই কেন্দ্ৰীয় অনুসন্ধান বিভাগৰ বিশ্বাসযোগ্যতাক আঘাত কৰিছে । এই বিষয়ে সকলো তথ্য ৰাজহুৱা কৰাটো অত্যন্ত জৰুৰী হৈ পৰিছে । সকলো সৎ হ'ব লাগে, বিশেষকৈ কেন্দ্ৰীয় অনুসন্ধান বিভাগৰ বিষয়াই আন ব্যক্তিতকৈ বেছিহে সৎ হ'ব লাগে ।

### মোদীৰ প্ৰচাৰ অভিযান

১৩ চেপ্তেম্বৰ ২০১৩ তাৰিখে বিজেপি য়ে শ্ৰীযুত নৰেন্দ্ৰ মোদীৰ নাম নিজৰ প্ৰধানমন্ত্ৰী প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছিল । তেতিয়াৰ পৰা তেওঁ অকলে সমগ্ৰ দেশত ৩৮০ খন সভা সম্বোধন কৰিছে । ইয়াৰ বহুতো সভাত লাখ লাখ জনসাধাৰণে অংশগ্ৰহণ কৰিছিল । মই ভৰিছিলো যে আৰম্ভণি উৎসাহৰ পাছত জনসাধাৰনৰ সমগম কমিব । সেইয়া কিন্তু হোৱা দেখা নগ'ল । লগতে তেওঁ সম্বোধন কৰা ৩০০ খন সভা

থ্রি ডি ফৰমেটত প্ৰস্তুত কৰা হৈছে আৰু আন ৩ খন সভা তেওঁ সম্বোধন কৰিব'লৈ আছে । এজন ব্যক্তিয়ে ইমান সভা সম্বোধন কৰা ইতিহাসত যে আৰু কোনোবা আছে সেই কথা মোৰ মনত নপৰে ।

**<u>নিচাযুক্ত দ্ৰব্যৰ ভাবুকি</u>**

যোৱাকালি ৰাজাচানিত মই এখন ৰাজহুৱা বৈঠক সম্বোধন কৰিছিলো । ৰাজ্যত নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে দিয়া মন্তব্যক বহুতো লোকে সহাঁৰি জনাইছে । মহিলাসকল বহা দিশৰ পৰা অধিক হাত চাপৰি শুনা পোৱা গৈছিল । ইয়ে সকলো কথা কৈ যায় । পঞ্জাৱত নিচাযুক্ত দ্ৰব্যৰ উৎপাদন কৰা নহয় । নিচাযুক্ত দ্ৰব্যৰ চোৰাং বেহা সীমাপাৰৰ পৰা কৰা হয় । ৰাজস্থানত নিচাযুক্ত দ্ৰব্যৰ খেতি কৰা হয় আৰু তাৰ পৰা আনি ইয়াত উপলব্ধ কৰা হয় । ইয়াৰ ওপৰত কঠোৰ ব্যৱস্থা লোৱাৰ বাহিৰে এই সমস্যাৰ কোনো সমাধান নাই । ৰাজ্যত নিচাযুক্ত দ্ৰব্যৰ চোৰাং বেহা শেষ কৰিব'লৈ সীমা সম্পূৰ্ণভাৱে শ্বীল কৰি দিব লাগিব আৰু আন ৰাজ্যৰ পৰা অহা লোকৰ ওপৰতো কঠোৰ দৃষ্টি নিক্ষেপ কৰিব লাগিব । ই বহুতক হাৰাশাস্তি কৰিব কিন্তু ইয়াক অপৰিহাৰ্য্য কৰিব নোৱাৰি । নিচাযুক্ত দ্ৰব্য আৰু সন্ত্ৰাসবাদ এটা নতুন প্ৰকাৰৰ বিদ্ৰোহ । ইয়াৰ সৈতে এনেকৈয়ে মুকাবিলা কৰিব লাগিব ।